# 2016

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া চুটিগল্পৰ জন্মদাতা কোন?

(খ) প্ৰথম অসমীয়া চুটিগল্প সংকলনখনৰ নাম কি?

(গ) 'ভাগ বাটোৱাৰা' গল্পটোৰ গল্পকাৰজনৰ নাম লিখা।

(ঘ) 'অৱগাহন' গল্পত থকা বিদেশী ভদ্ৰমহিলাগৰাকীৰ নাম কি?

(ঙ) ''মই তেনেহ'লে ছিলঙলৈ যাব নালাগে।'' কথাষাৰ কোনে, কাক উদ্দেশ্য কৰি কৈছিল?

(চ) 'জোনবিৰি' গল্প সংকলনখনৰ ৰচয়িতা কোন?

(ছ) কল্যাণপুৰ জিলা কংগ্ৰেস কমিটিৰ বছৰেকীয়া অধিবেশন ক'ত হৈছিল?

(জ) 'অসমীয়া সাহিত্যৰ স্কট' বুলি কাক কোৱা হয়?

(ঝ) ৰজনীকান্ত বৰদলৈৰ সামাজিক উপন্যাসখনৰ নাম লিখা।

(ঞ) 'নিৰ্মল ভকত' উপন্যাসৰ নায়িকাগৰাকীৰ নাম কি?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'ধোঁৱাখোৱা' গল্পটো কিহক কেন্দ্ৰ কৰি নিৰ্মিত হৈছে?

(খ) 'ভাগ বাটোৱাৰা' গল্পটোত উল্লেখ থকা দুই ভ্ৰাতৃৰ নাম লিখা।

(গ) "তুমি বলিয়া নহ'বা; অলংকাৰ তিৰোতাৰ আপদ-বিপদৰ সম্বল।" কোনে, কাক উদ্দেশ্যি এই কথাষাৰ কৈছিল?

(ঘ) 'ডাক্তৰ' গল্পটোৰ গল্পকাৰজনৰ নাম লিখা। কোনটো চৰিত্ৰৰ জৰিয়তে গল্পৰ কাহিনী বৰ্ণনা কৰা হৈছে?

(ঙ) 'নিৰ্মল ভকত' উপন্যাসখনত বৰ্ণিত হোৱা ঐতিহাসিক ঘটনাটো কি, লিখা।

৩। চমু উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) চুটিগল্পৰ বৈশিষ্ট্যসমূহ কি কি, লিখা।

(খ) ৰামেশ্বৰে ধোঁৱাখোৱা অভ্যাস কেনেদৰে আয়ত্ত কৰিছিল?

(গ) 'ভাগ বাটোৱাৰা' গল্পৰ প্ৰধান চৰিত্ৰটোৰ বিষয়ে লিখা।





(ঘ) 'অৱগাহন' গল্পৰ নামকৰণৰ তাৎপৰ্য বিচাৰ কৰা।

(ঙ) ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ পাঁচটা সাধাৰণ বিশেষত্ব উল্লেখ কৰা।

(চ) 'ডাক্তৰ' গল্পত উল্লেখ থকা ডাক্তৰ চলিহাৰ সৈতে বিভূতি হাজৰিকাৰ সম্পৰ্ক কেনেধৰণৰ আছিল?

৪। (ক) 'ধোঁৱাখোৱা' গল্পৰ মাজেৰে চুটিগল্পৰ লক্ষণসমূহ কিদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰা। ১০

*অথবা*

অসমীয়া সমাজত ভাই-ককাইৰ সম্বন্ধ কেনেধৰণৰ? 'ভাগ বাটোৱাৰা' গল্পৰ সহায়ত আলোচনা কৰা। ১০

(খ) 'ডাক্তৰ' গল্পৰ জৰিয়তে ডাক্তৰ চলিহা আৰু ডাক্তৰ চক্ৰৱৰ্তীৰ চৰিত্ৰ দুটিৰ তুলনামূলক আলোচনা দাঙি ধৰা। ১০

*অথবা*

'অৱগাহন' গল্পৰ প্ৰধান চৰিত্ৰটো বিশ্লেষণ কৰি দেখুওৱা। ১০

(গ) ৰজনীকান্ত বৰদলৈৰ পৰিচয় দাঙি ধৰা। ১০

*অথবা*

'নিৰ্মল ভকত' উপন্যাসত চিত্ৰিত হোৱা ত্ৰিকোণ প্ৰেমৰ কাহিনীটো তোমাৰ নিজৰ ভাষাত বৰ্ণনা কৰা। ১০

৫ । তলত উল্লেখ কৰা যি কোনো এটি বিষয় লৈ এখন ৰচনা লিখা : ১০

(ক) পৰিৱেশ প্ৰদূষণ : সমস্যা আৰু নিয়ন্ত্ৰণ

(খ) দক্ষিণ এছীয় ক্ৰীড়া আৰু ভাৰত

(গ) গ্ৰন্থমেলা

(ঘ) ছাত্ৰ আৰু ৰাজনীতি

★★★